# আমন্ত্ৰণমূলক মহিলা টি-টুৱেন্টি ক্ৰিকেট প্ৰতিযোগিতা ২০২৬

**নগাঁও, ২৭ এপ্ৰিল :** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আৰু অসম ক্ৰিকেট সন্থাৰ সহযোগত আজিৰ পৰা নুৰুল আমিন ষ্টেডিয়ামত আমন্ত্ৰণমূলক টি-টুৱেন্টি মহিলা ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হৈছে । তিনিদিনীয়াকৈ  আয়োজিত চাৰিদলীয় প্ৰতিযোগিতাখনি আজি পুৱা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মুখ্য অতিথি তথা নগাঁও জিলাৰ উপ আৰক্ষী অধীক্ষক পাৰমিতা সৰকাৰে।

শুভাৰম্ভণি অনুষ্ঠানত প্ৰাক্তন ৰাজ্যিক মহিলা ক্ৰিকেটাৰ তথা বিশিষ্ট সমাজসেৱিকা নৱনীতা শৰ্মাই আদৰণি ভাষণ আগবঢ়োৱাৰ লগতে খেলুৱৈসকলৰ উপযোগী হোৱাকৈ বক্তব্য ৰাখে । নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসে নগাঁৱত মহিলা ক্ৰিকেটৰ গৌৰৱজ্বোল ইতিহাসৰ বিষয়ে বহলাই কোৱাৰ উপৰি সাম্প্ৰতিক সময়ত নৱপ্ৰজন্মক ক্ৰীড়াৰ ক্ষেত্ৰখনত অধিক মনোনিৱেশ কৰিবলৈ আহ্বান জনায় । এ চি এৰ জ্যেষ্ঠ আম্পায়াৰ তথা বিশিষ্ট অধিবক্তা অসীম কুমাৰ ভাৱাল, নগাঁও ক্ৰীড়া সংস্থাৰ যুটীয়া সম্পাদক উজ্জল বৰুৱা আৰু প্ৰাক্তন ক্ৰিকেটাৰ ৰীতা বৈদ্য কাকতি অনুষ্ঠানত উপস্থিত থাকি খেলুৱৈসকলক উৎসাহিত কৰে৷

উদ্বোধনী দিনাৰ খেলত আয়োজক নগাঁৱৰ লগতে হোজাই দলে জয়লাভৰে সম্পূৰ্ণ পইন্ট লাভ কৰিছে। ৰাউণ্ড ৰবীন লীগ পদ্ধতিৰে আয়োজিত প্ৰতিযোগিতাৰ আজি প্ৰথমখন খেলত নগাঁৱে মৰিগাঁৱঁক ন উইকেটত পৰাস্ত কৰে। এই খেলখনত মৰিগাঁৱে পোনতে বেট ধৰি ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ৮৬ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নগাঁও দলে ১৬.১ অভাৰ খেলি এটা উইকেটৰ বিনিময়ত জয়ৰ লক্ষ্যত উপনীত হয়। খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে নগাঁৱৰ দীপশিখা বৰদলৈ।

আনহাতে, দ্বিতীয়খন খেলত হোজাইয়ে গোৱালপাৰাক সাত উইকেটত পৰাস্ত কৰে । এইখন খেলত গোৱালপাৰাই প্ৰথমে বেট ধৰি ৫৩ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে হোজাই দলে তিনি উইকেটত ৫৬ ৰান সংগ্ৰহৰে জয় সাব্যস্ত কৰে। খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে  হোজাইৰ দীশা নাথ সৰকাৰে ।

## Invitational Women's T20 Cricket Tournament 2026

**Nagaon, April 27 :** An Invitational Women's T20 Cricket Tournament has started from today at Nurul Amin Stadium under the initiative of the Nowgong Sports Association and with the cooperation of the Assam Cricket Association. The three-day four-team tournament was formally inaugurated this morning by the chief guest and Deputy Superintendent of Police of Nagaon district, Parmita Sarkar.

Former state women cricketer and noted social worker Navanita Sharma delivered the welcome address during the inaugural function and spoke about the importance of sports for players. General Secretary of the Nowgong Sports Association, Tapan Kumar Das, highlighted the glorious history of women's cricket in Nagaon and urged the younger generation to take greater interest in sports activities. Senior ACA umpire and noted advocate Asim Kumar Bhawal, Joint Secretary of the association Ujjal Baruah, and former cricketer Rita Baidya Kakoti were also present at the function and encouraged the players.

On the opening day, hosts Nagaon and Hojai secured full points with victories in their respective matches. In the first match of the round-robin league tournament, Nagaon defeated Morigaon by nine wickets. Batting first, Morigaon scored 86 runs for the loss of eight wickets in 20 overs. In reply, Nagaon reached the target in 16.1 overs losing just one wicket. Dipshikha Bordoloi of Nagaon was adjudged Player of the Match.

In the second match, Hojai defeated Goalpara by seven wickets. Batting first, Goalpara managed to score 53 runs, while Hojai chased down the target with 56 runs for the loss of three wickets. Disha Nath Sarkar of Hojai received the Player of the Match award.